# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক** তাং- ৩১/০৮/২০১৯

## কাৰ্য্যবিৱৰণী

আজি ইং ৩১/০৮/২০১৯ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠকখন মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয়। মূখ্য ন্যায়িক দণ্ডাধীশৰ বক্তব্যৰে আৰম্ভ হোৱা বৈঠকখনত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে, কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

বৈঠকৰ আৰম্ভণিতে মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে Record Room ৰ কামৰ অগ্ৰগতিৰ খতিয়ান Record Room সহায়কক জনাবলৈ কয়। কাম সঠিক ৰূপে চলি থকা কথা সহায়কে অৱগত কৰে। ইয়াৰ ওপৰিও পুৰণি Disposed হোৱা কেছৰ নথিসমূহৰ ঠানঠিত লগোৱাৰ সম্পৰ্কে আলোচনা হয়। লগতে নথিযুক্ত Motor Vehicle Act ৰ অন্তৰ্গত কেছৰ নথিসমূহ জিলা পৰিবহন বিষয়াৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰা ব্যৱস্থা গ্ৰহণ কৰাৰ সন্দৰ্ভত চৰ্চা হয়।

Bench সহায়ক সকলক প্ৰয়োজনীয় সামগ্ৰী সমূহৰ পৰ্যাপ্ততাৰ সম্পৰ্কে অৱগত কৰিবলৈ কয়। ইয়াৰ ওপৰিও Order sheet সমূহ যিহেতু যথেষ্ট পৰিমাণে আছে, গতিকে Print কৰিবলৈ বাৰণ কৰা হয়। লগতে সামগ্ৰীসমূহ তথা কাগজসমূহ সঠিক ধৰণে পূৰ্ণ ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ কৰা হয়।

PSI কৰ্টৰ বিষয়াক জব্দকৃত সামগ্ৰীসমূহৰ তালিকা প্ৰস্তুত কৰি সামগ্ৰীসমূহৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ কৰে।

আগন্তুক ৰাষ্ট্ৰীয় তথা ৰাজ্যিক লোক-আদালত সমূহৰ ধাৰ্য কেছসমূহৰ চমনসমূহ প্ৰেৰণ কৰিবলৈ জনায়। ইয়াৰ পিছত কাৰ্যালয়ৰ অন্যান্য শিতানৰ ওপৰত আলোচনা কৰা হয় আৰু জলযোগেৰে বৈঠকখনিৰ সামৰণি পৰে।

মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰূপক ৰজক)

অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰাহুল মেধি)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(মনিকা মিচং)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(নাজৰানা পাৰবিন ৰেহমান)